# ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

## মহেন্দ্ৰ গগৈ

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আছিলো বাবেই গৌৰৱ কৰিব পাৰো; ছয়দুৱাৰৰ সাহিত্য-সংস্কৃতিৰ জীপাল পথাৰখনে অসমীয়া ভাষাক জ্যোতিৰূপা কৰাত অৱদান অসীম। ছয়দুৱাৰৰ কেঁচা মাটিৰ সঁচা সপোনৰ মাজত অসমৰ সাহিত্য-সংস্কৃতিৰ উজ্জ্বল ছবিখন কোনে পাহৰিব বাৰু? অসমৰ সাহিত্য-সংস্কৃতিৰ পথাৰৰ পৰা জগত সভালৈ যোৱা বাটত 'জয়মতী' ছবি, বীৰত্বৰ ইতিহাসত 'কনকলতা' আৰু 'মুকুন্দ কাকতী'ক কোনোবাই পাহৰিব পাৰিবনে বাৰু?

ছয়দুৱাৰ এখন গাঁৱৰ দৰে; ৰিংটো মাৰিলেই সকলো ওলাই আহে স্বদেশ আৰু স্বজাতিৰ মান ৰাখিবলৈ; ছয়দুৱাৰ এখন পঢ়াশালি; এখন কলেজ। মানুহৰ মনত সদায় বৰ্ণিল চিন্তা-চৰ্চা আৰু অভিনৱ সমন্বয়ৰ শিতান ছয়দুৱাৰ। ছয়দুৱাৰ ৬ নম্বৰখন দুৱাৰ; এই দুৱাৰতে সাহিত্য, শিল্প সাধনাৰে চানেকীত এখন গাঁৱৰ ছবি; বীৰত্ব আৰু আদৰ্শৰ নজহা-নপমা। ব্ৰহ্মাজান, কলংপুৰ আৰু গহপুৰ মৌজাৰ ভেটিতে ছয়দুৱাৰৰ উদুলি-মুদুলি বাট; কলংপুৰৰ ভোলাগুৰি চাহ বাগিচাতে জ্যোতি ককাইদেৱে প্ৰথম অসমীয়া কথাছবি 'জয়মতী' নিৰ্মাণ কৰি অভিনৱ জোৱাৰ আনিলে। সঁচাকৈ চাবলৈ গ'লে ছয়দুৱাৰত কি সোপান নাই বাৰু? সেই ১৯৩৫ চনৰ ভোলাগুৰিৰ অৱস্থাৰ বিষয়ে ভাবিলে চকুপানী ওলায় এতিয়া। সাহিত্য অনুৰাগী হৰিবিলাস আগৰৱালা, তেওঁৰ যোগ্য পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালা, আন এগৰাকী কবি-সাহিত্যিক তথা 'ভাওনি কোঁৱৰ' আনন্দ চন্দ্ৰ আগৰৱালা— এইসকল বিশিষ্ট ব্যক্তিয়ে গঢ়ি যোৱা ইতিহাস কোনে পাহৰিব?

গহপুৰৰ 'সূতাৰ গাঁৱত জন্মগ্ৰহণ কৰা নিধিৰাম কেওটে শদিয়াত গৈ 'নাথান ব্ৰাউনৰ তত্ত্বাৱধানত' শিক্ষালাভ কৰাৰ লগতে ছপাশালৰ কামো কৰিছিল। ১৮৪১ চনৰ ১৩ জুনত নিধিৰাম কেওটে মাইলছ ব্ৰনছনৰ পৰা খ্ৰীষ্টান ধৰ্মৰ দীক্ষা গ্ৰহণ কৰিছিল আৰু ধৰ্ম গ্ৰহণৰ বাবে খৰচ হোৱা টকাখিনি বহন কৰিছিল 'ফাৰবেল' নামৰ এজন চহকী আমেৰিকান ভদ্ৰলোকে। নিধিৰাম কেওটৰ পিচলৈ নাম হয়গৈ 'নিধি লেভি ফাৰবেল'। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে 'অৰুণোদই'ত সকলোতকৈ বেছি প্ৰবন্ধ আৰু কবিতা লিখিছিল।

হেম বৰুৱাৰ জন্মস্থান 'গমিৰি' অবিভক্ত দৰং জিলাৰ; বৰ্তমান বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত। এগৰাকী সু-লেখক, কবি হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছিল; অসমৰ বাহিৰৰ 'ইলাষ্ট্ৰেটেড উইকলি', ষ্টেটছমেন', 'টাইমছ অব্ ইণ্ডিয়া', 'হিন্দু', 'কাৰেণ্ট' আদিত লিখিছিল। ১৯৭২ চনত 'অসম সাহিত্য সভা'ৰ ধুবুৰী অধিৱেশনৰ সভাপতি আছিল।

আন এগৰাকী ছয়দুৱাৰৰ সু-সন্তান আছিল লম্বোদৰ বৰা। গহপুৰ মহকুমাৰ ব্ৰহ্মাজানৰ 'থালিপুখুৰী'ত জন্মগ্ৰহণ কৰা বৰাদেৱে 'ল'ৰাবন্ধু' নামৰ শিশু আলোচনীখন সৰ্বপ্ৰথমে প্ৰকাশ আৰু প্ৰচাৰ কৰি এক আদৰ্শ দি গ'ল। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থকেইখন হ'ল— 'জ্ঞানোদয়', 'ল'ৰাবোধ' আৰু 'শকুন্তলা'। কালিদাসৰ 'অভিজ্ঞান শকুন্তলম'খন অসমীয়ালৈ অনুবাদ কৰিছিল।

ব্ৰহ্মাজানৰ আন এগৰাকী প্ৰসিদ্ধ সাহিত্যিক আছিল ড° হোমেশ্বৰ দিহিঙীয়া। তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলি'খন ১৯৬৭ চনতে অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁৰ 'মাধৱী' আৰু বহুতো বুৰঞ্জীমূলক কিতাপ ইংৰাজীত লিখা-মেলা কৰিছিল। ছয়দুৱাৰ অঞ্চলৰ সাহিত্য শিল্পত এতিয়াও চামে চামে লিখা-মেলাৰ চৰ্চা কৰি থকা দেখা যায়। উপন্যাসৰ ক্ষেত্ৰত সুকীয়া আসন দখল কৰা শ্ৰদ্ধাৰ অৰুণ শৰ্মা আৰু অপূৰ্ব শৰ্মাৰ কথা কোনে নাজানে? এই দুই ভাতৃৰ ঘৰ হেলেমৰ বলমগুৰিত। দুয়োজনে সাহিত্য অকাডেমী বঁটা লাভ কৰি আমাক গৌৰৱান্বিত কৰিছে। তৃতীয়জন সাহিত্য অকাডেমী বঁটা বিজয়ী হৈছে— শ্ৰদ্ধাৰ জ্ঞান পূজাৰী 'মেঘ মালাৰ ভ্ৰমণ'ৰ বাবে উক্ত বঁটা লাভ কৰি আমাক উৎসাহিত কৰিলে।

গহপুৰ থানাত পতাকা উৰুৱাবলৈ আহি ছহিদ হোৱা 'কনকলতা বৰুৱা', 'মুকুন্দ কাকতী' আমাৰ সংগ্ৰামী প্ৰেৰণাৰ উৎস। সেই ছয়দুৱাৰৰ অগ্নিমন্ত্ৰ এতিয়াও দুৰন্ত, এতিয়াও জাগ্ৰত প্ৰহৰী, ছয়দুৱাৰবাসীৰ দেহৰ ৰন্ধ্ৰে অতিবাহিত হৈ আছে। ছয়দুৱাৰ মহাবিদ্যালয়খনৰ এচেৰেঙা ৰ'দ কাঁচলিত যি যি এবাৰলৈ বহিছে তেওঁলোকে পাহৰিব নোৱাৰে তাৰ অমিয়া সৌৰভৰ সুবাস। কলেজখনৰ প্ৰাক্তন ছাত্ৰ আমি; আমি এতিয়া চুই চাব নোৱাৰো মাথোঁ অনুভৱ আৰু অতীত ৰোমন্থন; এই ৰোমন্থনত আছে, হেঁপাহৰ মৰমৰ এটি-দুটি, সন্ধ্যা কিম্বা আবেলিৰ সুবাস। কলেজখনত মাত্ৰ দুটা বছৰ পঢ়িছিলো। তেতিয়া আমাক পঢ়োৱা শিক্ষাগুৰু এতিয়া বোধকৰো কোনো নাই; কিন্তু কলেজখনলৈ গ'লে আপোন মাত এযাৰ শুনিবলৈ পাওঁ; শ্ৰদ্ধাৰ গজেন বৰুৱা ছাৰ, দিগন্ত গোহাঞি, প্ৰদীপ দত্ত, বিপুল বৰা, শুভাশিস ঘোষ, খগেন গোস্বামী, অচ্যুতানন্দ দেৱগোস্বামী, গোলোক ভূঞা, শোভন বৰা, ৰাজেন কাকতী, হেম গোস্বামী, নিৰণ ভূঞা, ড° দীপক দাস। 'দূবৰি বনৰ কবি' কোমেশ্বৰ বৰুৱাদেৱে সাহিত্য-সংস্কৃতিৰ পথাৰখনলৈ প্ৰভূত অৰিহণা আগবঢ়াই গৈছে; ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ আসন অলংকৃত কৰাৰ উপৰি গহপুৰ বিধানসভা সমষ্টিৰ বিধায়কৰূপেও সেৱা আগবঢ়াইছিল। ছয়দুৱাৰ অঞ্চলৰ অন্যতম সাহিত্যচৰ্চা কৰা ব্যক্তি আছিল— শ্ৰদ্ধাৰ নবীন কাথহাজৰিকা। তেওঁ 'ছয়দুৱাৰ কলেজ' তথা ছয়দুৱাৰ অঞ্চলৰ সাহিত্য-সংস্কৃতিৰ লগতো বিশেষভাৱে জড়িত আছিল। হাজৰিকাদেৱৰ জন্মস্থান বালিজান যদিও কৰ্মসূত্ৰে তেজপুৰ নিবাসী আছিল; ছয়দুৱাৰ অঞ্চলৰ প্ৰথম অধিবক্তা হিচাপে তেওঁ উত্তৰপুৰুষৰ প্ৰেৰণাৰ উৎস।



ছয়দুৱাৰ অঞ্চলৰ অন্যতম সমাজকৰ্মী তথা বীৰপুৰুষ তিলক শৰ্মা, কেশৰ হাজৰিকা, বাহাদুৰ শইকীয়া আৰু কেইবাজনো ব্যক্তিৰ আশাশুধীয়া নিৰন্তৰ প্ৰচেষ্টাত ছয়দুৱাৰ মহাবিদ্যালয়ে মূৰ দাঙি ঠন ধৰি উঠিছিল; বাইজৰ অকুণ্ঠ সহায়-সহযোগ অনস্বীকাৰ্য; ব্ৰজেন বৰুৱাই গহপুৰ বাগিচাৰ অধীনত থকা ৫০ বিঘা মাটিও দান দি ৰাইজক উপকৃত কৰিছিল। আজিৰ এই সোণালী জয়ন্তীৰ লগনত সদৌটিলৈ প্ৰণিপাত জনাইছো। বৰ্তমান সোণালী জয়ন্তীৰ নেতৃত্ব দি কাৰ্য সম্পাদনা কৰাত ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, প্ৰবক্তা আৰু কৰ্মচাৰীক ধন্যবাদ নিদি নোৱাৰি।

ড° অঞ্জন কুমাৰ ওজা একাধাৰে কৃতী শিক্ষক, দক্ষ প্ৰশাসক তথা সমাজ-সাহিত্য-সংস্কৃতিৰ বিৰল সেৱক বুলি নিশ্চয় নাম লোৱা উচিত। ছয়দুৱাৰত 'জয়মতী', মুকুন্দ কাকতী আৰু কনকলতাৰ প্ৰতিধ্বনি প্ৰতি পলে পলে, আকাশে-বতাহে বিৰাজমান হৈ আছে; মাথোঁ উত্তৰপুৰুষে অনুধাৱন কৰিলেই ছয়দুৱাৰৰ গৌৰৱ আৰু বৈভৱ সদায় উজলি থাকিব।

দুৰভাষ : ৯১০১৩৫২৯০৩